**SET-4**

**Series ЄABAЄ**

**Q.P. Code 14**

Roll No. | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

- Please check that this question paper contains **4** printed pages.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- Please check that this question paper contains **11** questions.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া

# ASSAMESE

*সময়: 2 ঘন্টা* | *সৰ্বমুঠ নম্বৰ : 40*

*Time allowed : 2 hours* | *Maximum Marks : 40*

## SECTION A

## (বোধ পৰীক্ষণ)

**1.** তলত দিয়া অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখা – *4×2=8*

মানুহে সদায় নজনা কথা জানিব খোজে, নুবুজা কথা বুজি ল'ব খোজে । বুদ্ধি আৰু অনুসন্ধিৎসাৰ বাবেই মানুহ উন্নতিৰ পথেৰে আগুৱাই গৈ আছে ।

বস্তু আৰু ঘটনা লক্ষ্য কৰিব পৰা গুণ, তাক জানিব-বুজিবলৈ আগ্ৰহ কৰা গুণ আৰু বুজি লৈ সেই বস্তু বা পৰিঘটনা নিজৰ আয়ত্তলৈ অনাৰ আগ্ৰহৰ ফলতে মানুহে নানা বস্তু আৰু ঘটনা আৱিষ্কাৰ কৰি গৈ থাকিল । এনেদৰে বিজ্ঞানৰ প্ৰক্ৰিয়াৰো আৰম্ভণী হ'ল ।



ZOLLEGE.in

আমাৰ বিশ্ব ব্ৰহ্মাণ্ডখনৰ ৰহস্য উদ্‌ঘাটনৰ ব্যৱস্থাটোৱেই হ’ল বিজ্ঞান । বিজ্ঞানত আমি দেখা বস্তু আৰু ঘটনাবোৰৰ একোটা সুসংবদ্ধ ব্যাখ্যা দিবলৈ চেষ্টা কৰা হয় ।

এইদৰে পর্যবেক্ষণ কৰা, জোখ-মাপ লোৱা, সত্য অনুসন্ধান কৰা, বস্তু বা ঘটনাটোৰ ধৰ্ম বা চৰিত্ৰ ফঁহিয়াই চাই তাৰ বিষয়ে এটা সিদ্ধান্তলৈ অহা-এইবোৰ হ’ল বিজ্ঞানীৰ কাম ।

আদিম মানুহ এজনে এনেয়ে শিলত শিল দলিয়াই থাকোঁতে জুই উঠিল । সেই পর্যবেক্ষণৰ পিছত তেঁও জুই তোলা প্ৰক্ৰিয়াটো বাৰে বাৰে কৰি চালে । সেই প্ৰথম বিজ্ঞানীজনৰ প্ৰক্ৰিয়াটো আজিৰ যুগতো একেবাৰে সলনি হোৱা নাই মাত্ৰ সি বেছি সূক্ষ্ম, বেছি নিখুঁত হৈছে । আজিৰ বিজ্ঞানীজনে খালী চকু খালী হাতেৰে পর্যবেক্ষণ আৰু পৰীক্ষা কৰাৰ উন্নত যন্ত্ৰ-পাতি, উন্নত কৌশল ব্যৱহাৰ কৰিছে । পর্যবেক্ষণৰ বাবে দূৰবীক্ষণ, অনুবীক্ষণ যন্ত্ৰ, ৰেডিও আদি আছে ।

বিজ্ঞানীসকলে তেওঁলোকৰ মনত উদয় হোৱা প্ৰশ্নৰ উত্তৰ বিচাৰি যোৱা বাবেই আমাৰ আহাৰ, আশ্ৰয়, কাপোৰ-কানিৰ নানা সমস্যা আজি সমাধান হৈছে । নতুন নতুন দ্ৰব্য, শক্তি আৰু পৰিঘটনাক আমি মানুহে নিজৰ আয়ত্তলৈ আনিব পৰা হৈছো ।

(i) বিজ্ঞানৰ প্ৰক্ৰিয়াৰ আৰম্ভণী কেনেদৰে হৈছিল ?

(ii) বিজ্ঞান বুলিলে কি বুজা ?

(iii) বিজ্ঞানীৰ কাম কি ?

(iv) আজিৰ বিজ্ঞানীয়ে কেনেদৰে বিষয়সমূহ পর্যবেক্ষণ কৰে ?

## SECTION B
## (লিখন কলা)

**2.** তোমাৰ বিদ্যালয়ে আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ বিষয়ে জনাই বাতৰিকাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰা । *4*

**3.** ভাব সম্প্ৰসাৰণ কৰা – (যিকোনো ***এটা***) *1×4=4*

(i) উৎসৱৰ এটি প্ৰধান উদ্দেশ্য হৈছে মানুহক আনন্দ দান ।

(ii) সমাজত সংহতি আৰু সম্প্ৰীতি স্থাপনতো উৎসৱে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে ।



ZOLLEGE.in

**4.** তলত দিয়া যিকোনো ***দুটা*** জতুৱা খণ্ডবাক্যৰ অৰ্থ লিখি বাক্যৰচনা কৰা – *2×2=4*

(i) মূৰ ঘমা

(ii) ভাত মাৰ

(iii) পানীত পৰ

## SECTION C

## (ব্যাকৰণ)

**5.** তলত দিয়া শব্দবোৰৰ দন্ত্য স, মূৰ্দ্ধন্য ষ হোৱাৰ কাৰণ উল্লেখ কৰা – (যিকোনো ***তিনিটা***) *3×1=3*

(i) মিষ্ট

(ii) ভৱিষ্যৎ

(iii) ঔষধ

(iv) যুধিষ্ঠিৰ

**6.** বন্ধনিৰ ভিতৰত দিয়া নিৰ্দেশ অনুসৰি বাক্য পৰিবৰ্তন কৰা – (যিকোনো ***তিনিটা***) *3×1=3*

(i) সূৰ্য উদয় হ'লেই আন্ধাৰ আঁতৰে । (জটিল বাক্যলৈ)

(ii) শিক্ষকে পঢ়ালে আমি শিকিব পাৰিম । (যৌগিক বাক্যলৈ)

(iii) যিকাম কৰি মানসিক সন্তুষ্টি পোৱা নাযায় তেনে কাম কৰিব নালাগে । (সৰল বাক্যলৈ)

(iv) লাচিত বৰফুকন অসমৰ এজন সুযোগ্য সন্তান । (যৌগিক বাক্যলৈ)

**7.** (i) পোহাৰী, নাচনী, ফুলতী-আদি শব্দৰ বিশেষত্ব কি ? *2*

(ii) ক্লীৱলিংগৰ শব্দ বুলিলে কি বুজা ? উদাহৰণসহ লিখা । *2*

## SECTION D

## (গদ্য)

**8.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) কাৰ চিঠিক কিয় অমূল্য সম্পদ বুলি কৈছে ?

**নাইবা**

(ii) ভূদেৱ চৌধুৰীৰ চিঠিখন পাই প্ৰশান্ত শৰ্মাই কি কৰিছিল ?



ZOLLEGE.in

**9.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×3=3*

(i) শীলভদ্ৰৰ সাহিত্য-কৃতিৰ চমু পৰিচয় দিয়া ।

**নাইবা**

(ii) ভূদেৱ চৌধুৰীৰ চিঠিখনে প্ৰশান্ত শৰ্মাৰ ঘৰত কেনে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল ?

## (পদ্য)

**10.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×2=2*

(i) "আঘোণৰ কুঁৱলী" কবিতাটোৰ মাজেৰে কি অংকন কৰা হৈছে ?

**নাইবা**

(ii) জ্যোতিপ্ৰসাদ আগৰৱালাৰ নাটক সমূহৰ নাম উল্লেখ কৰা ।

**11.** তলত দিয়া যিকোনো ***এটা*** প্ৰশ্নৰ উত্তৰ লিখা – *1×3=3*

(i) আঘোণৰ পথাৰৰ মন পৰশা চিত্ৰ "আঘোণৰ কুঁৱলী" কবিতাৰ মাজেৰে কেনেদৰে প্ৰকাশ পাইছে বৰ্ণনা কৰা ।

**নাইবা**

(ii) জনতাৰ আহ্বান কবিতাটোত সাধাৰণ মানুহৰ প্ৰতি কবিৰ কেনে মনোভাৱ প্ৰকাশ পাইছে ?



ZOLLEGE.in